এষাৰি কথা কয়। তাৰ পিচত হুচৰি গীত আৰম্ভ হয়। হুচৰি গীতৰ অন্তত আকৌ আশীৰ্ব্বাদ দিয়েঃ "খুটিত ম'হ, গোহালিত গৰু, বাৰীত ভামোল-পাণ, আগে-পিচে দুটা ভঁৰাল হওঁক।" খেতিয়ক মানুহৰ যিখিনি আদিম প্ৰয়োজন, তাৰেই আন্তৰিক আশীৰ্ব্বাদ। তাৰ পিচত বিহুনাম গায়। বিহুনামত গৃহস্থৰ কৰ্ত্তব্য সোঁৱৰায়, বিহুৰ মাননি বিচাৰে, হাঁচতি বিচাৰে, ঢুলীয়া-নাচনিৰ পাৰদৰ্শিতা লৈ জোকায় আৰু সদৌ শেষত আকৌ আশীৰ্ব্বাদ দিয়ে—

লাও দিবৰ হেদালি,
জিকা দিবৰ জেং
বছৰেকৰ দোমাহীত
ফুৰিবৰ নিয়ম

এইবুলি বাকীখিনি আশীৰ্ব্বাদ দিয়ে।

সাতবিহুৰ দিনা বিহু-উৰুৱায়। কোনো কোনোৱে এই বিহুক ছেৰা-বিহু বোলে। এই দিনাই ডেকা-গাভৰুৰ বিহুৰ সামৰণি পৰে।

আমি আগতে কৈ আহিছোঁ, মূল উৎসৱৰ লগতে আনুষঙ্গিক লোকাচাৰসমূহ অঞ্চল বিশেষত সলনি হয়। যেনে, কোনো কোনো ঠাইত হুচৰি গায় কিন্তু এডাল গোটা বাঁহত বাঁহৰ মাৰিৰে টুকুটুকাই নাম গায়। কোনো কোনো ঠাইত কণী যুঁজায়। এইদৰে অনেক সৰুসুৰা পাৰ্থক্য দেখা যায়। আমি আমাৰ অঞ্চলত প্ৰচলিত লোকাচাৰসমূহৰ এটি টোকা মাত্ৰ যুগুত কৰিছোঁ। এই বিষয়ত অনুৰাগী লোকে বিভিন্ন অঞ্চলত প্ৰচলিত লোকাচাৰ-সমূহ সংগ্ৰহ কৰি প্ৰকাশ কৰিলে মূল বিহুৰ স্বৰূপ, ক্ৰমবিকাশ আৰু বিভিন্ন সাংস্কৃতিক উপাদান নিৰ্ণয় কৰাত সহায়তা কৰা হ'ব।

# গছতলৰ মুকলি বিহু

এশ এবছৰৰ আগৰ কথা। চ'ত মাহৰে পৰা ৰঙালী বিহুৰ স্মৃতি জাগে। তেতিয়া পথাৰৰ মাজত নতুবা বৰগছৰ তলত ডেকা-গাভৰুৱে ৰঙালী বিহুৰ ৰঙতে আপোন-পাহৰা হৈ বিহুগীত গায়, গীতৰ উচ্ছ্বাসত নিজকে এৰি দি নাচে। হিয়াতলি উবুৰিয়াই বনগীত গাই অন্তৰত খুন্দ খাই থকা কথাবোৰৰ সঁহাৰি দিবলৈ প্ৰয়াস কৰে। চটাই পৰেৰত আৰু চিৰি লুইতেই ইয়াৰ সাক্ষী।

ডেকা-গাভৰুৰ অবাধ মিলন তেতিয়াৰ দিনত অশ্লীল নাছিল। যৌথ সঙ্গীত নতুবা যৌথ নৃত্য যৌন ক্ষুধা নিবাৰণৰ নিমিত্তেও নাছিল। আদিম মানুহৰ কলাকাৰ জীৱনৰ স্বতঃস্ফূৰ্ত্ত বিকাশ নতুবা উন্মুক্ত প্ৰকাশৰ ইয়াত সঁহাৰি পোৱা যায়। সহজ সৰল জীৱনৰ আঁৰ নলগা কথাবোৰ, আন্তৰিকতা আৰু অকৃত্ৰিমতাৰ চৰম চানেকি ইয়াত ফুটি উঠে। বিহুৰ গহনা লৈ গীত আৰু নৃত্য-পটুতাৰ যোগেদি ডেকাই গাভৰুৰ, গাভৰুৱে ডেকাৰ মন আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰে। এয়েই হয়তো হৈ উঠে মিলনৰ সোণালী সৌধ ; দাম্পত্য জীৱনৰ অপূৰ্ব্ব মিলন। য'ত প্ৰবঞ্চনাৰ চেকা নাই, কৃত্ৰিমতাৰ সাঁচ নাই, অকল যৌৱনৰ ক্ষণিক উত্তেজনাৰ ভুল নাই, তেনে মিলনত বাধা থকাও উচিত নহয়।

অতীতৰ বিহুক আমি দুভাগে ভাগ কৰিব পাৰো ঃ (১) মুকলি বিহু (২) সমজুৱা বিহু। মানুহৰ চোতাল গৰকি ন বছৰৰ নতুন আশীৰ্ব্বাদ দি হুচৰি গায়। আমি ইয়াকে সমজুৱা বিহু বুলিছোঁ। আনহাতে ডেকা-গাভৰুৱে মুকলি ঠাইত বনগীত-বিহুগীত গাই যি বিহু কৰে তাকে মুকলি বিহু বুলিছোঁ। ইয়াত আমি সেই মুকলি বিহুৰে এটি চিত্ৰ অঙ্কন কৰিবলৈ প্ৰয়াস কৰিছোঁ।

'ব্ৰহ্মাই সৰজা নামৰে কঠীয়া
বিষ্ণুৱে সৰজা নাম,
বেয়া নাম ওলালে ক্ষমিবা ঈশ্বৰ ঐ
পীৰিতি গীতকে গাম্।
ছাগে চেলাবৰে ডবুৱা কটাৰী
ম'হে চেলাবৰে মিট,
দেশৰ বুঢ়া-মেঠা দায়-দোষ নধৰিবা
গাই যাওঁ বতৰৰ গীত।'

ফাগুন গ'ল। চ'তৰ দিন সোমালেই বিহুৱাৰ গা সাতখন আঠখন কৰে। চুবুৰীয়ে চুবুৰীয়ে, গাৱেঁ গাৱেঁ বিহুৰ আখৰা পাতে। বাটে পোৱালি মেলে, বুঢ়া গৰুৰ ছালে বেবায়। ঢোলৰ মাত শুনি বিহুৰ স্মৃতি জাগে।

'আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ
বিহুৰ মাতে শুনি ৰবকে নোৱাৰি
গৰকি ভাঙি যাওঁ যঁতৰ।'

গধূলি মাৰল-ধৰত মহুৰা ফুৰাবলৈ বহা চেনেহীহঁতে য'বে যঁতৰ ত'তে এৰি হাতত টকা লৈ বিহুতলী পালেগৈ। ইপিনে বঙতে আপোনভোলা ৰঙাইহঁতেও ঢোল-পেপাঁ গগনা সুতুলি লৈ বিহুতলী উপচি পৰিল। এফালে ডেকা, এফালে গাভৰু। চাৰিওপিনে হাতভে মলঙি যোৱা বহাগৰ বিহুটোৰ চঞ্চল পৰিবেশ। আনহাতে—

'অতি চেনেহৰে মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকোঁ।'

হাতত জেতুকাৰ বোল। ওঁঠত বৰ্‌হমথুৰিৰ ৰহণ। চকুত জীৱনৰ জেউতি, প্ৰণয়ৰ চঞ্চল উচ্ছ্বাস। মালী মাছৰ নিচিনা গা, পাঁজিসেৰীয়া আঙুলি, খামুচীয়া ককাঁল। কোনোবা গাভৰুৱে হালি জালি নাচে। কোনোবা ডেকাৰ আকৌ সেই চঞ্চলা নাচনীৰ চকু। কোনোৱাই তাক সোঁৱৰাই দিব ঃ

'বিহু মাৰি থাকিবৰ মনে ঐ লাহৰি
বিহু মাৰি থাকিবৰ মন
বিহু মাৰি থাকোঁতে পলুৱাই নিনিবি
ভৰিব লাগিব ধন।'

ডেকাই উত্তৰ দিয়ে—

'নাচনীৰ কুৰুটা গুদাম ঐ চাবিটা
চাবিকো চাবিয়ে চৰে,
নাচনীৰ মুখলৈ চাবকে নোৱাৰি
জলকীয়াই পোৰাদি পোৰে।'

নাচনীৰ অন্তৰত হয়তো অযুত যুগৰ নিযুত কথা। কিন্তু প্ৰকাশৰ পথ ৰুদ্ধ। মনতে ভাৱিলে—'তোমাৰে আমাৰে পীৰিতি লাগিলে চকুৰে চকুৰে চাই।' গাভৰুৱে হয়তো অন্তৰ বুজে; হয়তো নুবুজে। আশা-নিৰাশা, বুজা-নুবুজাৰ এটা সন্ধিক্ষণ। তথাপি ডেকাই প্ৰাণৰ কথাৰ সঁহাৰি দিবলৈ প্ৰয়াস কৰে।

'চকুৰে চকুৰে কি চাৱ মইনা
মই চালে তলমূৰ কৰ,
তই নৌ মাতোতেই মাতিব পাৰো মই
জানোচা কেটেৰাই মাৰ।'

ডেকাৰ কণ্ঠত প্ৰণয়াৱেগৰ কাতৰ অনুৰোধ কোনোবা সলিসিয়ান বিহুৱাৰ চকুত ধৰা পৰে। সি হয়তো আচল কথাটো বুজাই দিবলৈ গাব—

'কাঁহৰে বাটিতে সৰিয়হ পিচলে
নিয়ৰত পিচলে ভৰি ;
কথাৰে লাচতে কথাটি পিচলে
থাকিবা খোপনি ধৰি।'

লগৰীয়া ডেকাৰ সেই সাৱধানসূচক গীতৰ উত্তৰত আমাৰ ডেকাই গায়—

'চকলা টেঙাৰে জিম সমনীয়া
চকলা টেঙাৰে জিম,
একেষাৰ কথাৰে কন্দুৱাই পেলালা
কিনো বা উত্তৰে দিম।'

আন এহাল ডেকা-গাভৰুৰ হয়তো প্ৰণয়ৰ প্ৰেৰণা জাগিছিল কিন্তু কালে মোহাৰি নিলে। তাকে দেখি শুনি ডেকাই গাব—

'ধন হীন দেখিলি মোক ঐ লাহৰী
পৰম হীন দেখিলি মোক,
লুটিটোৰ বাগৰত হেৰাওঁ হেন দেখিলি
কাক পাই এৰিলি মোক।'

গাভৰুৱে উত্তৰ দিব—

'ধনহীন দেখা নাই তোকে ঐ চেনাইটি
পৰম হীন দেখা নাই তোক,
লুটিটোৰ বাগৰত হেৰায় হেন দেখা নাই
কাকো পাই এৰা নাই তোক।'

ডেকাই আকৌ গাব—

'ধোদৰ আলি বন্ধালে কোনে ঐ লগৰী
গড় আলি বন্ধালে কোনে ?
তুমিয়ে আমিয়ে আছিলো মিলেৰে
তোমাৰ মন ভঙালে কোনে।'

গাভৰুৱে উত্তৰ দিব—

'কোনোৱে ভঙা নাই কোনোৱে ছিঙা নাই
আপুনি বিৰহিল মন,
মোৰ মূৰ ধুবলৈ ঘিলা খুজিছিলোঁ
সিনো কিমানৰ বন?'

ডেকাই ঘিলা দিব নোৱৰা কাৰণটো বুজাবলৈ এবাৰ যত্ন কৰে—

'মাহে বান্ধি গলোঁ টুপলি টুপলি
ঘিলা বান্ধি গলোঁ ফাক,
উজনি নামনি আমাৰে শতৰু
ঘিলা দি পঠিয়াওঁ কাক।'

এইবাৰ ডেকাক ঘাই কথাষাৰকে কৈ দিলে—

'কুকুৰাই কৰিবৰ কেওঁ;
গছৰ ডাল ভগাদি আমাৰ মন ভাগিল
জোৰাওঁতা নহলে কেও।'

কোনোবা এগৰাকী গাভৰুৱে মাক-বাপেকৰ ভয়ত গাইছে—

'হাঁচতি লাহৰে টেমিটি কাঁহৰে
কটাৰী ম'হৰে শিঙ
আমাৰে পদুলিতে তামোল নেকাটিবা
বাকলিত ধৰিব চিন।'

ডেকাৰ বুকুত ভাল পোৱাৰ অদম্য হেঁপাহ। মনৰ আকুল বাসনাত গাই যায়—

'এৰি পুহিবলৈ এডালি এৰা নাই
মুগা পুহিবলৈ চোম;
মাৰে-বাপেৰে যি কৰে কৰিব
মইনো তোক বুলি যাওঁ সোণ।'

'চৰাই হালধীয়া পাখি বিনন্দীয়া
উৰিলে পাবলৈ নাই;
যৌৱন থাকেমানে পীৰিতি কৰিবা
যৌৱন গলে পাবলৈ নাই।'

কোনোবা এটি ডেকা বিৰহত দগ্ধ। সি নিশ্চয় মনৰ গধুৰতাকে পাতলাবলৈ গাব—

'বৰঘৰৰ মূধতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খাই,
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোমাৰ জানো মনতে নাই।
কিনো খাই পাহৰিম তোকে ঐ চেনাইটি
কিনো খাই পাহৰিম তোক।'

হয়তো চেনেহীয়েও এবাৰলৈ অনুতাপ কৰিব। কিন্তু ফটা বাঁহ জোৰা নেখায়।

'ধনৰ চেওমণি বটিয়া পুৰণি
পহু শিঙৰ হাঁকোটাত থলোঁ
নিগনি শলিয়াই শতুৰু শালিলে
ধনৰে আতাৰি হলো।'

সেই ডেকা গাভৰু হালৰ মনৰ আকাঙ্ক্ষা চুৰমাৰ হৈ যোৱা দেখি লগৰ সমনীয়াই সভ্যতাৰ সঁহাৰি দিব।

'বাঁহৰে আগতে কপৌ চৰাই হালি
ধেমু নেমাৰিবা টানি;
শতুৰু ছোৱালীত চকু ঐ নিদিবা
দেহাক নকৰিবা পানী।'

এইবাৰ গাভৰুৰ মনত আঘাত লাগিব আৰু গাব—

'কেলেই শ্ৰজিলি সৰেজন দেৱতা
কেলেই তুলিলি আই,

মনৰে কামনা পূৰাব নোৱাৰি
মৰোঁ বৰে বিহে খাই।'

প্ৰথম দৰ্শনতে পীৰিতিৰ বা লাগি বলিয়া কৰে ঃ

'তোমাৰে আমাৰে পীৰিতি লাগিলে
চকুৰে চকুৰে চাই।'

হয়তো কুলত অমিল। মাজত সমাজৰ বাধাৰ প্ৰাচীৰ।

'ধনশিৰী দলংখন ভেটিলে ঐ চেনাইকণ
লোহাৰে শলখা মাৰি,
তোমাকে আমাকে ভেটিলে সমাজে
দুটি দেহা দুফাল ঐ কৰি।'

তথাপি ডেকাৰ বুকুত অদম্য সাহ, প্ৰণয়ৰ কোবাল সোঁতত জাতৰ ভেটা নগণ্য।

'তোমালৈ চাওঁতে জপনা দেওঁতে
বিন্ধিলে অঘয়া হুলে'
তোৰো মন গলে মোৰো মন গলে
কি কৰিব অজাতিৰ কুলে।'

কিন্তু লাও যিমানেই ডাঙৰ নহওক তেও পাতৰ তল।

'নৰাই বেচিলে নৰা জাংফাই
মিৰিয়ে বেচিলে কি ?
আয়ে নিদিয়ে বোপায়ে নিদিয়ে
মই বাক্ক কৰিমে কি।'

অৱশেষত ডেকাই জীৱনৰ অপূৰ্ণতা সুঁৱৰি হুমুনিয়াহ পেলাব।

'হাতী হেৰুৱালোঁ লিহিৰি বনত ঐ
ঘোৰা হেৰুৱালোঁ বণত,
পাই হেৰুৱালোঁ সৰগৰ মুকুতা
চোতালৰ দুবৰি বনত।

বিহু আছে। ডেকা গাভৰুৱে যৌন উত্তেজনাত অন্তৰাৱেগ প্ৰকাশৰ যত্ন কৰে। কিন্তু সেই বুলি প্ৰণয়ৰ নামত প্ৰবঞ্চনাৰ থল নাই। নৈতিক চৰিত্ৰ নিৰ্ম্মল। বিহুৰ মাদকতাত ডেকা-গাভৰুৰ মিলনত উচপ খাই উঠা, অশ্লীলতাৰ ছাঁটোকে বাঘ যেন দেখা তথা-কথিত শিক্ষিতসকলে অন্ততঃ এই বিহুৰ পৰা শিকিব লগীয়া কথা কেইবাটাও আছে ঃ (১) নৈতিক চৰিত্ৰ, (২) সাংস্কৃতিক জ্ঞান, (৩) কলাৰ বিকাশ, (৪) জাতীয়তা আৰু অসমীয়াত্ব। আজিৰ শিক্ষিত সমাজত প্ৰণয়ৰ নামত যি ঠগ-প্ৰবঞ্চনা আৰু অনৈতিকতাই দেখা দিছে, তেতিয়া বৰগছৰ তলত নিশা বিহু পাতিলেও সেইবোৰ কলঙ্কৰ দাগ সমূলি নাছিল। আন্তৰিকতা আৰু অকৃত্ৰিমতাই ইয়াৰ মূলমন্ত্ৰ।

'নামৰো আছিলোঁ ঘাই সমনীয়া
গীতৰো আছিলোঁ ঘাই
নামো পাহৰিলোঁ গীতো পাহৰিলোঁ
তোমাৰে বাতৰি পাই।'

অন্তৰত যেতিয়া কথা সৰহ, তেতিয়া প্ৰকাশৰ আঁত হেৰায়। বিহু মাৰি থাকোতে হয়তো পলম হব। তেতিয়া গাভৰুৱে গাব—

'ঢোলেটি কৰিবৰ ধিনিকি ধিনদাও
মৃদঙে কৰিব দাওঁ,
কাটনি সূতাই ঐ আমনি কৰিছে
বিদায় দিয়া ঘৰলৈ যাওঁ।'

ডেকা-গাভৰুৱে অন্তৰ উদঙাই বিহু গায়। মনৰ আবেগ আকাঙ্ক্ষা প্ৰকাশ কৰে। প্ৰকৃতিৰ চঞ্চল আবেশত মিলাই একোবাৰ নাচে।

'এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খুতৰা শাক,

মূৰৰ চুলি ছিঙি আশীৰ্ব্বাদ কৰিছো
চেনাই তই কুশলে থাক।'

অৱশেষত ডা-ডাঙৰীয়া, দেউতা-ঈশ্বৰসকলৰ প্ৰতি মিনতি জনায় আমি গাওঁ—

'পৰ্ব্বতৰ ঢেকীয়া চিৰিলি পতীয়া
মেকুৰীয়ে কৰিব মাও,
এইবাৰৰ দোষ-দায় ক্ষমিবা ঈশ্বৰ ঐ
হস্তীৰো পিচলে পাৱ।'

# বিহুনাম—বতৰৰ গীত

বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎস। অতি চেনেহৰ বহাগৰ বিহুটো অসমীয়াৰ মনৰ, প্ৰাণৰ, হেপাহৰ আদৰৰ উৎসৱ। ভেবেলি লতা ফুলাৰ বতৰ পালেহি গাত বিহুৰো দেওধ্বনি উঠে; উজটিত যঁতৰ ভাঙি গাভৰু গৈ ফুল-পানী-ছিগা পায়গৈ। তাহানি গোটেই চ'ত মাহটোতেই ডেকা-গাভৰুৱে ৰাতি-বিহু পাতিছিল। গীত আৰু বাদ্যৰ মূৰ্চ্ছনাত প্ৰকৃতিও চঞ্চল হৈ উঠিছিল। কৃষিজীৱী সমাজৰ মানুহে বসন্ত কালৰ সময় ছোৱাত ঢোল, পেঁপা, টকা, গগনা লৈ হিয়াতলি উদিয়াই বিহু-তলীত আনন্দ প্ৰকাশ কৰিছিল, সেয়ে বিহু। বকুল বৰা ধানৰ আখৈ, মালভোগ ধানৰ তেতেলি-পতীয়া চিৰা, বকনা ম'হৰ থমা দৈ আদিৰে এসাজ খাইছিল আৰু খুৱাইছিল—সেয়ে বিহু-জলপান—

বিহু বুলিলে গা সাতখন-আঠখন নকৰা অসমীয়া নাই বুলিলেও হয়। কিন্তু তাহানি চ'তৰ বিহু আৰু বহাগৰ বিহু বুলিলে দুটা সুকীয়া বিহুক বুজাইছিল। গোটেই চ'তৰ মাহটো ডেকা-গাভৰুৱে বিহু পাতিছিল। এই বিহুত যৌনাসক্তিপূৰ্ণ গীত গাই ডেকা-গাভৰুৱে মনৰ ভাব বিনিময় কৰাটো একো আচৰিত নাছিল। কিন্তু—সাধাৰণতে ডেকাই ডেকাৰ ভাগে, গাভৰুৱে গাভৰুৰ ভাগে সুকীয়াকৈ বিহু পাতিছিল। ডেকাৰ বিহুৰ সমল আছিল ঢোল, পেঁপা, গগনা আৰু তাল। গাভৰুৰ বাদ্য আছিল টকা আৰু গগনা। এই বিহু এমাহ জুৰি চলিছিল। গাভৰুৰ ৰাতি-বিহু ছকুৰি-ডেৰকুৰি বছৰমানৰ আগলৈকে শিৱসাগৰ মহকুমাৰ কিছুমান ভিতৰুৱা অঞ্চলত চলি আছিল। ডেকাৰ ৰাতি-বিহু

অঞ্চল বিশেষত এতিয়াও চলি আছে। এনেকুৱা ৰাতি-বিহুত গোৱা নামবোৰত কোনো আঁৰ-বেৰ নাছিল। চৰম আনন্দ প্ৰকাশেই আছিল মুখ্য উদ্দেশ্য। আদিম কৃষিজীৱী সমাজৰ লোক-বিশ্বাস আজি বৈজ্ঞানিক সত্যত পৰিণত হৈছে—সঙ্গীতৰ প্ৰভাৱত ধানখেতিৰ উৎপাদন বৃদ্ধি পায়। এইটো কৃষি শক্তিকাৰ পৰীক্ষালব্ধ বৈজ্ঞানিক সত্য। আদিম কৃষিজীৱী সমাজে এই তথ্য প্ৰকৃতিৰ পৰা পাইছিল আৰু আহু ধানৰ উৎপাদন বঢ়াইছিল। ধানখেতিৰ বুৰঞ্জীতো শালিতকৈ আহুহে আগ। বসন্তৰ পৰশ লাগি উন্মনা হোৱা প্ৰাকৃতিক পৰিবেশৰ লগত সুৰ মিলাই হিয়া উদিয়াই আনন্দ প্ৰকাশ কৰিছিল, ডেকা-গাভৰুৱে নাচোনৰ গিৰিপণিত পৃথিবী শস্যসম্ভৱা হৈছিল আৰু খেতিয়কৰ আশাৰ, হেপাহৰ ধানমুঠি সোণ জিলিকাদি জিলিকি উঠিছিল। আদিম খেতিয়কৰ এটা ধাৰণা আছিল, যৌন-প্ৰবৃত্তিমূলক গীত গালে পৃথিবীৰ গাতো যৌন-উত্তেজনাই দেখা দিব আৰু শস্যসম্ভৱা হৈ উঠিব; সেয়েহে ৰাতি-বিহুৰ গীতবোৰ স্বাভাৱিকতে যৌনোদ্দীপক।

"কৈনো কৈ থাকিলে ওৰকে নপৰে, বহাগৰ বিহুৰে কথা।" এই বহাগৰ বিহু হ'ল চতৰ সংক্ৰান্তিৰ দিনাৰ পৰা বহাগৰ ছদিন-লৈকে, ইয়াকে সাতবিহুও বোলে। বিহুৰ আগদিনাকে উৰুকা বোলে। চ'তৰ সংক্ৰান্তিৰ দিনা গৰু-বিহু। তাৰ পিছত মানুহ-বিহু, হাত-বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু, ছেৰা বিহু, এনেকৈ সাতবিহুৰ সাতোটা নাম আছে। বহাগৰ বিহুৰ জা-জলপান খোৱা, মান-সৎকাৰ কৰা, বিহুৱান দিয়া আদি নীতি-নিয়ম আৰু সংস্কাৰৰ উপৰিও আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য অনুষ্ঠান হ'ল—হুচৰি গোৱা। ব্ৰহ্মদেশত আজিকালিও বহাগৰ বিহুৰ সময়ত হুচৰি গাওঁতে বাজ-আলিয়েদি গৈ থাকে। ঘৰৰ গৃহস্থই সপৰিয়ালে ওলাই গৈ মাননি শৰাই দি আশীৰ্ব্বাদ লয়। আমাৰ দেশতো একালত তেনেকৈয়ে হুচৰি গাইছিল যেন অনুমান হয়।

কিন্তু সামন্ত বা মধ্যযুগত ৰজা, ডা-ডাঙৰীয়া আনকি তোষামোদ কৰিবৰ বাবে তেওঁবিলাকৰ চোতালত হুচৰি গাই আশীৰ্ব্বাদ দিয়াৰ পিছৰ পৰাই সকলোৰে চোতালত হুচৰি গোৱাৰ পৰম্পৰা এটি সৃষ্টি হয়। তেতিয়াৰ পৰাই মানুহে দেউতাৰ পদূলিত মধুৰি গোন্ধোৱাৰ বাতৰি পায়, তেতিয়াৰে পৰাই স্বৰ্গদেও বাটচ'ৰাৰ মুখলৈ ওলোৱাৰ হিচাপ ৰাখে। এইদৰে সময় বাগৰি গৈ আছে, বিহুও আহি আছে, বিহুৱায়ো বিহু পাতি আছে।

ৰাইজৰ চোতালত থিয় হৈ হুচৰি গোৱা বিহুনামত অশ্লীলতা বা যৌনগন্ধ থাকিব নোৱাৰে আৰু নাই। আচল বিহুনামবোৰত বিহুৰ প্ৰতি মৰম আৰু হেপাহ, আনন্দ প্ৰকাশৰ উদ্‌গ্ৰীৱতা আৰু গৃহস্থক কৰ্ত্তব্যৰ সকিয়নি দিয়াৰ ভাৱহে প্ৰকাশিত হয়। নিতান্তই যৌনগন্ধী গীত হুচৰিত অচল। কোনো এঘৰ মানুহৰ চোতালত থিয় হৈয়েই হুচৰি দলে 'হৈ ধ্বনি উৎসৱ কৰিয়ে' বা 'গৃহস্থৰ কুশলৰ অৰ্থে' বুলি এষাৰি আশীৰ্ব্বাদ বৰিষণ কৰি ঢোলত চাপৰ মাৰে। তাৰ পিছতে হুচৰিৰ ঘোষা লগাই হুচৰি আৰম্ভ কৰে। হুচৰি গীতৰ পদ হিচাবে হুচৰি গীতৰ বাহিৰেও পগলা-পাৰ্ব্বতীৰ গীত, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত আদি মালিতা ব্যৱহাৰ হোৱা দেখা যায়। হুচৰি গাওঁতে কোনো কোনো ঠাইত ঘূৰণীয়াকৈ মেৰ পাতি, কঁকালত ধৰাধৰিকৈ গায়, তাকে লহৰী-খেলা বোলে।

'হাতৰে চাপৰি আহক টানে কৰি
ভৰিৰ গিৰিপনি, লহ ঐ লহৰীয়া।'

লহৰী খেলত ঢোল-তালৰ লয়ৰ লগত হাতৰ চাপৰি আৰু ভৰিৰ খোজৰ ছন্দ মিলি যোৱাটো বৈশিষ্ট্যপূৰ্ণ। হুচৰি বা লহৰী খেলা শেষ হোৱাৰ পিছত গৃহস্থক এজাউৰি আশীৰ্ব্বাদ দিয়ে। তাৰ পিছত গীতৰ জোৰণি, বিহুৰ বৰ্ণনা, দেউতা-স্বৰ্গদেৱৰ নাম-গুণ বৰ্ণনা আদিৰে বিহু পকি উঠে। হুচৰি ল'ৰা-ডেকা-বুঢ়া

সন্মিলিত হৈ গায়; গাভৰুৰ তাত ভাগ নাই, স্থান নাই। এই সময়ত 'ঢোল বজায়হে যেনেকৈ; নেনাচিনো থাকোঁ কেনেকৈ' হয়। ঢোলৰ চাপৰ, পেঁপাৰ লহৰ, নামৰ জাউৰিত বিহু-বলীয়া অসমীয়াই মন-প্ৰাণ উটুৱাই দিয়ে। সেই সময়ত মৰা গৰুৰ ছালেও বেবায়, শালৰ হাতীও মুকলি হয়; মানুহৰ যে কথাই নাই।

হুচৰি নিজে আহিলে কথাই নাই, গৃহস্থই মাতি আনিও হুচৰি গোৱায়। হুচৰিৰ অন্ততঃ এটি তামোল-পাণ, দুটিমান পইচা, এখনি হাঁচটিৰে হুচৰি যোৱাক মাননি শৰাই দিয়ে। গৃহস্থই শ্ৰদ্ধা আৰু ভকতিৰে হিয়া উদিয়াই দিয়া শৰাইখন গ্ৰহণ কৰি হুচৰিয়ে 'কুশল কামনা'ৰ আশীৰ্ব্বাদ দিয়ে—হুচৰিৰ সামৰণি পৰে। শৰাইখন বা মাননিটো পাবই সন্দেহ নাই, তথাপি গৃহস্থৰ লগত ধেমালি কৰিবলৈকো 'ৰূপৰ চকলা নেপালে নেৰোঁ', 'এখনি হাঁচটি উলিয়াই নিদিলে শৰাইলৈ নেমেলোঁ হাত', 'এইঘৰ মানুহক কোনে সৰজিলে মৰম নাইকিয়া কৰি' ইত্যাদিৰে জোৰা হয়। কিন্তু আচলতে—

'মাকো পদুমী জীয়েকো পদুমী
ৰিহাতো পদুমৰ চকা;
তোমাৰ ধনেৰে কিনো দ'ল বন্ধাই যাম
বচনে এহেজাৰ টকা।'

এই চলতে ঢুলীয়া, নাচনী, শিপিনী আদিকো জোৰা দি নাম গোৱা হয়।

বিহুগীতৰ লগত দীঘলীয়া জাতৰ নাচনী ছেৱৰ গীতো আছে। এই নাম-জাতবোৰ ঠাই অনুসৰি দীঘল, চুটি বা লেহেতীয়া হয়। তদুপৰি ঠাই বিশেষে অন্যান্য গীতবো সুৰৰ পাৰ্থক্য দেখা যায়। বিশেষকৈ যোৱা কেইবছৰমানৰ ভিতৰত বিহুৰ নামৰ সুৰ আৰু ঢং ইমান সলনি হৈছে যে মূলতে হুচৰি কি আছিল তাক ধৰাই টান হৈ পৰিছে। সংস্কৃতি বা লোকসাহিত্য মৰাস্মৃতি নহয়,

বোৰতী নৈ, গতিকে নতুন নতুন সমল অহাটো স্বাভাৱিক, কিন্তু সি যদি মূলকে বিকৃত কৰিবলৈ চেষ্টা কৰে, সি উৎসাহপ্ৰদ নহয়। বিহুগীতত বিহুৰ প্ৰতি অসমীয়া মানুহৰ কিমান হেপাহ, কিমান আশা, বিহু অসমীয়াৰ কিমান আদৰৰ সেই কথা বঢ়িয়াকৈ ফুটি ওলাইছে। নতুন যুগৰ বিহুৱাসকলে পুৰণি বিহুগীতবোৰলৈ পিঠি নিদি পুনৰ গোটাই-পিটাই চৰ্চ্চা কৰাটোহে সময়োচিত হব। পুৰণি গীতবোৰত আন্তৰিকতা আছে, আৰু আছে যুগৰ প্ৰতিচ্ছবি।

বিহু অসমীয়াৰ জাতীয় জীৱনৰ উচ্ছ্বাস বিজড়িত জাতীয় উৎসৱ। সেয়েহে বিহুনামত বিহু উৎসৱৰ প্ৰতি অসমীয়াৰ আকুল আগ্ৰহ ফুটি ওলাইছে। বহাগৰ বিহুৰ কথা কৈ থাকিলেও ওৰ নপৰে; হাততে মলঙি যায়। মুগাৰ মহুৰাতকৈয়ো মৰমৰ বিহুটি নপতাকৈ কোনে থাকিব পাৰে? বিহুৰ বতৰত ফুলপানী ছিগাত ঢোলৰ মাত শুনি উজটিত যঁতৰ ভাঙি যাবলৈকো মন যায়, কিন্তু বছৰেকৰ মূৰত অহা বহাগৰ বিহুটি ধন দি ৰাখিবও নোৱাৰি।

'চ'তে গৈ গৈ বহাগে পালেহি
ফুলিলে ভেবেলি লতা;
কৈনো কৈ থাকিলে ওৰকে নপৰে
বহাগৰ বিহুৰে কথা।'

* * *

'পৰ্ব্বতৰ ঢেকীয়া লিহিৰি লিহিৰি
দেখিলে লবৰ মন যায়।
অতি চেনেহৰ বহাগৰ বিহুটি
হাততে মলঙি যায়।'

* * *

'অতি চেনেহৰে মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো;

তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।'

* * *

'আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ;
ফুলপানী ছিগাতে ঢোলৰ মাত শুনি
উজটিত ভাঙি যাওঁ যঁতৰ।'

* * *

'লাইৰ মাজে মাজে লফা কই দিলোঁ
কুকুৰাই খুচৰি খায়;
অতি চেনেহৰে বহাগৰ বিহুটি
ধন দি ৰাখোঁতা নাই।'

সেইবাবে বিহু মাৰিবলৈ গৈ ঘৰলৈ উলটি আহিবলৈকো মন নাযায়। গোটেই ৰাতি বিহু পাতিবলৈ আগ্ৰহ—

'এপৰ দুপৰ কৰি ৰাতি পাৰে হব
আমাৰ বিহুত আমনি নাই;
ৰাতি পৰে পৰে ফেঁচাই কুকলিয়াই
আমাৰ বিহু ভাঙোতা নাই।'

বিহুৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা ছন্দে ছন্দে গীতে গীতে ফুটি ওলাইছে। প্ৰকৃতিৰ পৰশত, সময়ৰ বুলনিত আনন্দ-মুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছ্বাসৰ স্বীকৃতি দিয়ে বিহুগীতে। আনন্দৰ অনুভূতি প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাজেদি। মন বাঁই-জাঁই কৰে, গা নাচি উঠে। সেয়েহে ঢোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ আৰু নচুৱাবলৈ মন যায়। নাচনী নহলে বিহু নপকে; নাচনীয়ে পখিলা উৰাদি উৰিবই লাগিব। সেয়েহে বিহুনামত নাচনীৰ চিত্ৰ উজ্জ্বল হৈ উঠিছে।

'নৈৰ পাৰে পাৰে নলৰে গজালি
তাতে ক'লা গৰু চৰে ;
নাচনীৰে মূৰতে গুটি ফুলৰ গামোছা
পখিলা উৰাদি উৰে।'

* * *

'ৰাৰীৰে চাপৰে কজলা উৰহী
পাৰ্তে তিৰেবিৰে কৰে ;
নাচনীৰ মুখলৈ চাবকে নোৱাৰি
চকু ছাটে মাৰি ধৰে।'

* * *

'ক'লা চোলা কুক্কতা গুদাম আছে চাৰিটা
চাৰিকো চাৰিয়ে চৰে ;
নাচনীৰ চকুলৈ চাবকে নোৱাৰি
জালুক জলকীয়াই পোৰে।'

* * *

'ঢোলে বাই ঢুলীয়া খোলে বাই খুলীয়া
কাৰ ঘৰৰ নাচনী নাচে ;
ওচৰ চাপি চাপি নাহিবা নাচনী
তোমাৰ গাত মোহিনী আছে।'

প্ৰকৃতিৰ বুকুতেই এদিন মানুহে সঙ্গীতৰ সন্ধান পাইছিল। বতাহত কঁপি উঠা গছ-পাতখিলাই নাচোনৰ ভঙ্গী, বাঁহে বাঁহে ঘঁহনা খাই ওলোৱা মাতটোত বাদ্যৰ সন্ধান পাইছিল। কিন্তু এদিন মানুহে ইয়াৰে চানেকী লৈ থলুৱা পৰিবেশৰ সমলেৰে নতুন নতুন বাদ্য সৃষ্টি কৰিলে। বিশেষকৈ বাঁহৰ অৱদান লক্ষ্য কৰিবলগীয়া। টকা, পেঁপা, গগনা বিহুৰ একান্তই আৱশ্যকীয় বাদ্য। বাঁহী আদিও সময় বিশেষত ব্যৱহাৰ হয়। গগনাৰ মন উকৱাই নিয়া মাত, পেঁপাৰ বনৰীয়া সুৰে বিহুত সুৰৰ অমৃত বাকি দিয়ে। সঁচাকৈয়ে, তেতিয়া

"ঘৰতো নবহে মন, পথাৰতো নবহে মন, কমোৰা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিবৰ মন।". গগনাৰ অমাতৰ মাত বুকুৰেদি সৰকি যায়।

'ত'তে শুনিলো স্থৰতে বুজিলোঁ
মোৰ ধনে গগনা বায়;
কিনো অমাতৰ মাতে মোৰ চেনাই ঐ
বুকেদি সৰকি যায়।'

মনৰ আশা, আশাৰ বুৰবুৰণি উঠে বুকুৰ মাজত। তাৰে প্ৰতিধ্বনিবোৰ গুণগুণনি হৈ ওলায় মুখেদি। ছুটি পাতল ওঁঠৰ পৰশ লৈ সজীৱ হোৱা গগনাখনে মনৰ কথা প্ৰকাশ কৰে।

'আগলি বাঁহৰে লাহৰি গগনা
বহি তাঁতৰ পাটত বাওঁ,
আহে কি নাহে ঐ মোৰ ধন লাহৰী
চিৰি পাতি মঙলখন চাওঁ।'

* * *

'ধনে সাজি দিয়া লাহৰী গগনা
বহি বড়ৰ তলত বাওঁ;
ধনো নাহিলে গগনা ফাটিলে
খৰিকা মঙ্গলত চাওঁ।'

* * *

'যোৱাটো বিহুতে গগনা খুজিলোঁ
এইবেলিও নিদিলা সাজি;
তোমাৰে গগনা আমাকো নেলাগে
দিয়াগৈ সিজনীক সাজি।'

* * *

সৰু বাঁহ এপাৰেৰে টকা সাজে, কিন্তু টকাৰ টুক্-টুক্ মিহি মাতটোৱে কব নোৱৰাকৈয়ে বিহুৰ উন্মাদনা জগাই তোলে।

'টকাৰ সৰু সৰু মাতে সমনীয়া
টকাৰ সৰু সৰু মাত ;
টকাৰ মাতে শুনি ৰবকে নোৱাৰোঁ
এৰি যাওঁ পেটৰে ভাত।'

* * *

'ঔৰে গছতে মৌৰে বাহ ললে
ককাই পাৰি দিয়া খাওঁ ;
বাঁহৰে টকাটি সাজি দিয়া ককাইটি
বিহু মাৰিবলৈ যাওঁ।'

ম'হৰ শিঙৰ পেঁপাটো বিহুৰ আনন্দ উচ্ছ্বাসৰ মধুৰ লগৰীয়া। কলীয়া পেঁপাটোৰ বলিয়া সুৰটোৱে আওকণীয়া হৈ থকা মানুহৰ মনত বিহুৰ মাদকতা জগাই তোলে। চকুৰে চাই, মুখেৰে কথা পাতিবলৈ সুযোগ নোহোৱা বিহুবলিয়া ডেকাই হিয়া উবুৰিয়াই বাকি দিয়ে বুকুৰ বেদনাবোৰ, মনৰ আশাবোৰ, দেহৰ অতৃপ্ত ইন্দ্রিয়ৰ পৰিণতি হুমুনিয়াহবোৰ। বুকুৰ বাতৰি লৈ উৰি যায় পেঁপাৰ সুৰবোৰ। পেঁপাৰ মাত শুনি মন উকুঙা কৰে, হাতৰ বন সৰি পৰে ; বিহুতলীলৈ ঢাপলি মেলিবলৈ মন যায়।

'ম'হৰ শিঙৰ পেঁপাটি নবজাবা ককাইটি
মোৰে মন উকুঙা কৰে ;
পেঁপাৰ মাত শুনি ৰবকে নোৱাৰি
হাতৰ বন সৰি পৰে।'

* * *

'এইবেলি আহুধান পানীয়ে মাৰিলে
অহা বেলি আহুধান পাম ;
ম'হৰ শিঙৰ পেঁপাটি বনকিয়াই আনাগৈ
তোমাৰ শপত বিহুলৈ যাম।'

ঢোল নহলে বিহু নপকে। সেয়েহে ঢোলৰ মাত শুনি থেকেছি যঁতৰ ভাঙিবলৈ মন যায়। "ঢোল-বজায়হে যেনেকৈ, নেনাচিনো থাকোঁ কেনেকৈ।" ঢোলৰ চাপৰিত গা উঠে; এপাক নাচিবলৈ মন যায়। বিহুতলীত ঢোলৰ মাত শুনি বঢ়া ভাত কাঁহীতে থৈ ঢাপলি মেলে।

'ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে
কাৰ ঘৰৰ নাচনী নাচে;
ওচৰ চাপি চাপি নাহিবি নাচনী
হাতত ঢোলৰ মাৰি আছে।'

* * *

'ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে
বহি বৈ আছিলোঁ তাঁত;
টোপোলাৰ সেন্দূৰ টোপোলাত থাকিলে
খাবলৈ নহলে ভাত।'

বিহু জাতীয় জীৱনৰ আশা-আকাঙ্ক্ষা, ৰং-আনন্দ, আবেগ-অনুভূতিৰ উৎসৱ। বছৰেকৰ মূৰত বিহু আহে। বিহুৰ দিনা নিজৰ প্ৰাত্যহিক জীৱনৰ দুখ-বেদনাবোৰ জাৰি-জোকাৰি আনন্দ প্ৰকাশ কৰিলেও সামূহিক জীৱনৰ কৰ্ত্তব্যও আছে। গুৰু ভকতৰ মান-সংকাৰ কৰা, ৰাইজৰ ওচৰত মূৰ দোঁওৱা আদি বিহুৰ আনুষঙ্গিক কৰ্ত্তব্য।

'চ'তে চকৰী বহাগত বগৰী
জেঠত আমনা ধান;
গৰু বিহুৰ দিনাখন সংকাৰ কৰিবা
তেহে পাবা বৈকুণ্ঠত থান।'

ধন জীৱনৰ যথাসৰ্ব্বস্ব নহয়; মানহে। ধন আৰু জীৱনৰ ক্ষণস্থায়িত্বৰ কথা বিহুৰ আনন্দ-উচ্ছ্বাসৰ মাজতো একোবাৰ ভুমুকি মাৰে—